# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 06-06-2025 **Time :** 0755Hrs.

## Assamese Morning Bulletin

অসম সাহিত্য সভাৰ উদ্যোগত আৰু নগাঁও জিলা সাহিত্য সভা, মৰিগাঁও আৰু হোজাই জিলা সাহিত্য সভাৰ সহযোগত নগাঁৱত আজিৰে পৰা তিনিদিনীয়াকৈ লেখক শিবিৰৰ আয়োজন কৰা হৈছে। কবিতা, গল্প, উপন্যাস আৰু নাট্য সাহিত্যৰ মনোগ্ৰাহী অনুষ্ঠানত সমাহাৰ হ'বলগীয়া এই শিবিৰ নগাঁও জিলা পুথিভঁৰাল, কমলাদেৱী তোদী স্মৃতিভৱন আৰু নগাঁও সাংস্কৃতিক প্ৰকল্পত অনুষ্ঠিত হ'ব। অসম সাহিত্য সভাই এখন প্ৰেছ বিজ্ঞপ্তি যোগে এই বিষয়ে প্ৰকাশ কৰে। এই অনুসৰি আজি অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে উদ্বোধনী অনুষ্ঠান সঞ্চালনা কৰিব। অনুষ্ঠানত শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু, নাগালেণ্ডৰ কবি, সাংবাদিক মনালিছা ছাংকিজা আৰু সভাৰ প্ৰাক্তন সভাপতি ড০ সূৰ্যকান্ত হাজৰিকা উপস্থিত থাকিব বুলি জানিব পৰা গৈছে। দিনৰ ১১ বজাৰ পৰা হ'বলগীয়া কবিতা অধিৱেশন দুখন ৰাজীৱ বৰা আৰু ড° মঞ্জু লস্কৰে উদ্বোধন কৰিব। বিয়লিৰ ভাগত ছুটী গল্প বিষয়ৰ প্ৰথমখন বৈঠক শিৱানন্দ কাকতিয়ে উদ্বোধন কৰিব। ডাঃ অপূৰ্ব কুমাৰ শইকীয়াই দ্বিতীয়খন বৈঠক সঞ্চালনা কৰিব। নগাঁও জিলা পুথিভঁৰালত উপন্যাস বিষয়ৰো এখন বৈঠক অনুষ্ঠিত হ'ব।

০০০০০০০

ৰাজ্যত বন ধবংসৰ কাৰ্যকলাপ কৃত্ৰিম বুদ্ধিমত্তা - এ আইৰ জৰিয়তে নিৰীক্ষণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত বিশ্ব পৰিৱেশ দিৱসৰ কাৰ্যসূচীত ঘোষণা কৰে। কৃত্ৰিম বুদ্ধিমত্তা আৰু কৃত্ৰিম উপগ্ৰহৰ সহায়ত বন ধবংস আৰু বনভূমিৰ ক্ষতি আদি বাস্তৱসন্মত সময়ত চাব পৰাকৈ এটা পৰ্টেল মুকলি কৰি ড° শৰ্মাই কয়, যে এই প'ৰ্টেলৰ জৰিয়তে বনভূমি ধবংসৰ বিষয়ে সঠিক সময়ত ব্যৱস্থা ল'ব পৰাকৈ তথ্য লাভ কৰিব পৰা যাব। মুখ্যমন্ত্ৰীগৰাকীয়ে পৰিৱেশ সুৰক্ষাৰ দিশত সহায় হ'ব পৰাকৈ বন বিভাগৰ ১২৯ খন বাহনৰ ফ্লেগ অফ কৰে। তেওঁ অসম বন সুৰক্ষা বাহিনীৰ তিনিটা বেটেলিয়নৰ সুৰক্ষা কৰ্মীসকলক অস্ত্ৰও প্ৰদান কৰে। মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় চৰকাৰে হাতত লোৱা এবাৰ ব্যৱহাৰযোগ্য প্লাষ্টিক নিষিদ্ধকৰণৰ পদক্ষেপক আগুৱাই নিবলৈ ৰাজ্য চৰকাৰ তৎপৰ হৈছে বুলি মন্তব্য কৰে।

০০০০০০০

বানত ক্ষতিগ্ৰস্ত বন্যপ্ৰাণীক উদ্ধাৰৰ বাবে কাজিৰঙাৰ বন্যপ্ৰাণী উদ্ধাৰ আৰু পুনৰসংস্থাপন কেন্দ্ৰৰ উদ্যোগত হেল্পলাইন নম্বৰ মুকলি কৰা হৈছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ দাঁতিকাষৰীয়া অঞ্চলৰ ৰাইজে বিপদত পৰা বন্যপ্ৰাণী দেখিলে কেন্দ্ৰটোৰ হেল্পলাইন নম্বৰ ৬৯০১৮৬৪৯০০ত খবৰ দিব পাৰিব। তদুপৰি বানৰ সময়ছোৱাত সৰ্বাধিক ক্ষতি হোৱা পশু যদি কোনো অঞ্চলত আবদ্ধ হৈ থাকে তেন্তে তাক ধৰিবলৈ চেষ্টা নকৰিবলৈ কেন্দ্ৰটোৰ চিকিৎসকসকলে আহ্বান জনায়। উল্লেখযোগ্য যে বৰ্তমানলৈকে কেন্দ্ৰটোত বৰ্তমান এনিমেল কীপাৰ আৰু ছগৰাকী চিকিৎসক ২৪ ঘণ্টাই নিয়োজিত হৈ আছে। বানৰ সময়ছোৱাত চাৰিটা ভাগত

বিভক্ত হৈ সেৱা আগবঢ়োৱা কেন্দ্ৰটোৱে প্ৰয়োজন সাপেক্ষে ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পশু চিকিৎসকসকলক নিয়োগ কৰিব বুলিও জনাইছে।

০০০০০০০

চৰাইদেউৰ জিলাৰ আয়ুক্ত ড০ নেহা যাদৱৰ অধ্যক্ষতাত কালি জিলা আয়ুক্তৰ কাৰ্যালয় সভাকক্ষত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। অ' এন জি চিৰ অসম সম্পদৰ অন্তৰ্গত লাকুৱা-চলাপথাৰ পথৰ সাম্প্ৰতিক অৱস্থা সন্দৰ্ভত শেহতীয়াভাৱে বিভিন্ন দল-সংগঠনৰ দ্বাৰা ৰূপায়ণ কৰা পথ অৱৰোধ কাৰ্যসূচীৰ পৰিপ্ৰেক্ষিতত তথা আনুষঙ্গিক সমস্যাসমূহ সমাধানৰ উদ্দেশ্যেৰেই এই বৈঠক অনুষ্ঠিত কৰা হয়। বৈঠকত আয়ুক্তগৰাকীয়ে দুয়ো পক্ষৰ ভাষ্য শুনাৰ পাছত বিস্তৃত আলোচনাত মিলিত হয়। লোকনিৰ্মাণ বিভাগৰ জৰিয়তে লাকুৱা-চলাপথাৰ পথত মেৰামতি আৰু পুনৰনিৰ্মাণৰ বাবে গ্ৰহণ কৰা বিভাগীয় পদক্ষেপসমূহৰ বিষয়েও এই বৈঠকত অৱগত কৰোৱা হয়। জিলা আয়ুক্তগৰাকীয়ে বিভিন্ন দল-সংগঠনৰ উপস্থিত প্ৰতিনিধিসকলক লাকুৱা অঞ্চলৰ সামগ্ৰিক উন্নয়নৰ স্বাৰ্থত কোনো ধৰণৰ পথ অৱৰোধমূলক পদক্ষেপ গ্ৰহণ নকৰিবলৈ আহ্বান জনায়। জিলা আয়ুক্তগৰাকীৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই দল-সংগঠনসমূহৰ যৌথ মঞ্চই বৈঠকত সৰ্বসন্মতিমৰ্মে পথ অৱৰোধ কাৰ্যসূচী প্ৰত্যাহাৰ কৰে। বৈঠকত আৰক্ষী অধীক্ষক সুৰজিৎ সিং পানেছৰ, অতিৰিক্ত জিলা আয়ুক্ত নৱদীপ চাংমাইসহ আন আন বিষয়া আৰু বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধিসকল উপস্থিত থাকে।

০০০০০০

কেৱল পৰিৱেশ দিৱসৰ দিনাখনেই নহয় বছৰটোৰ প্ৰতিটো দিনেই পৰিৱেশ ৰক্ষাৰ বাবে কাম কৰি যোৱা অবিভক্ত শোণিতপুৰ জিলাৰ এজন পৰিৱেশ কৰ্মী হৈছে বিশ্বনাথৰ কুমুদ বৰুৱা। পেচাত এগৰাকী জ্যেষ্ঠ অধিবক্তা বৰুৱাই বিশ্বনাথ নগৰখনত প্ৰায় ১০ হাজাৰ গছপুলি ৰোপণ আৰু প্ৰতিপালন কৰি নগৰখনক সেউজ কৰি ৰখাত যথেষ্ট অৰিহনা যোগাইছিল। তেজপুৰ নগৰতো তেওঁ  ৰোপণ কৰা ভালেসংখ্যক গছ-লতা এতিয়া জাতিষ্কাৰ হৈ উঠিছে। বৃক্ষৰোপণৰ বাবেই তেওঁ নিজৰ ভূমি আৰু বাহনো বিক্ৰী কৰি ধনৰ যোগাৰ কৰিছিল। ২০২৩ চনত এটা পথ দুৰ্ঘটনাত গুৰুতৰভাৱে আহত হৈ বৰ্তমান শয্যাশায়ী হোৱা এই নিৰৱ প্ৰকৃতিপ্ৰেমীজনক আজি নতুন দিল্লীৰ স্বেচ্ছাসেৱী সংগঠন কেয়াৰ লুইত আৰু বিশ্বনাথৰ উত্তৰ চাৰিআলি সন্মিলিত মঞ্চই বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰে।

০০০০০০

তিনিচুকীয়া জিলাৰ নিকটৱৰ্তী অৰুণাচলৰ সীমান্তত এবিধ বিৰল প্ৰজাতিৰ পখিলাৰ সন্ধান পোৱা গৈছে। ইউথেলিয়া মালাকানা নামকৰণ কৰা পখিলাবিধৰ সংযোজনে ভাৰতত পোৱা পখিলাৰ প্ৰজাতি সৰ্বমুঠ এহেজাৰ ৩২৮ লৈ বৃদ্ধি কৰিলে। আৰক্ষী জোৱান ৰৌচন উপাধ্যায়ৰ প্ৰচেষ্টাত পখিলাৰ এই প্ৰজাতিটোৰ প্ৰায় ১০০ বছৰৰ পাছত পুনৰ সন্ধান পোৱা গৈছে।

০০০০০০০

**সমাপ্ত**